# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। চৰকাৰে ইনষ্টিটিউট অব বেংকিং পাৰ্ছনেল ছিলেকচনৰ দ্বাৰা পৰিচালিত পৰীক্ষাত প্ৰাৰ্থীসকলৰ আধাৰ প্ৰমাণিকৰণ ব্যৱস্থা ব্যৱহাৰত অনুমোদন জনাইছে।

২। ওড়িশাৰ পৱিত্ৰ ৰথযাত্ৰা আজি অনুষ্ঠিত হ'ব।

৩। নিৰ্বাচন আয়োগে অত্যাৱশ্যকীয় চৰ্ত পূৰণ নকৰাৰ বাবে ৩৪৫টা পঞ্জীয়নভুক্ত স্বীকৃতি বিহীন ৰাজনৈতিক দলৰ মৰ্যাদা কৰ্তন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

৪। ভাৰতৰ সৈতে শীঘ্ৰেই এটা ডাঙৰ চুক্তি স্বাক্ষৰ কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতে দ্বিতীয় এছিয়ান স্কোৱাচ ডাবলছ চেম্পিয়নশ্বিপছৰ পুৰুষ-মহিলা আৰু মিক্সড্ ডাবলচ- এই তিনিওটা শিতানত খিতাপ দখল কৰিছে।

ooooo

চৰকাৰে ইনষ্টিটিউট অৱ বেংকিং পাৰ্ছনেল ছিলেকচন চমুকৈ আই বি পি এছৰ দ্বাৰা পৰিচালিত পৰীক্ষাত প্ৰাৰ্থী পৰীক্ষণৰ বাবে আধাৰ প্ৰমাণীকৰণ ব্যৱহাৰত অনুমোদন জনাইছে। বিত্ত মন্ত্ৰালয়ৰ অধীনৰ বিত্তীয় সেৱা বিভাগে জাৰি কৰা এক অধিসূচনা অনুসৰি, আইবিপিএছে নিজৰ পৰীক্ষা আৰু নিযুক্তি প্ৰক্ৰিয়াত প্ৰাৰ্থীৰ পৰিচয় পৰীক্ষা কৰাৰ বাবে স্বেচ্ছামূলকভাৱে আধাৰ প্ৰমাণীকৰণ ব্যৱহাৰ কৰিব পাৰিব। এই পদক্ষেপে পৰীক্ষাৰ সময়ত ভুৱা পৰিচয় আৰু আন অসৎ উপায় অৱলম্বন ৰোধ কৰি বেংক, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ নিযুক্তি প্ৰক্ৰিয়া আসোঁৱাহমুক্ত আৰু শক্তিশালী কৰিব বুলি ধাৰণা কৰা হৈছে । লগতে এই পদক্ষেপে পৰিচয় পৰীক্ষণ সৰল তথা ক্ষিপ্ৰ কৰি প্ৰশাসনিক হেঁচা হ্ৰাস কৰাৰ উপৰি সামগ্ৰিকভাৱে পৰীক্ষা তথা বাছনি প্ৰক্ৰিয়াৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰিব বুলিও আশা কৰা হৈছে। ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত ভাৰতৰ একক পৰিচয় প্ৰাধিকৰণৰ সৈতে আলোচনা কৰি এই অধিসূচনা জাৰি কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী দৃষ্টিভংগীৰ বাবেই ভাৰতীয় ৰেলৱেই দেশৰ বিভিন্ন প্ৰান্তক সংযোগ কৰাৰ লগতে ৰে'লৱেৰ আন্তঃগাঁথনি দূৰ-দূৰণিলৈ সম্প্ৰসাৰিত হৈছে বুলি ৰে'ল ৰাজ্য মন্ত্ৰী ভি. সোমান্নাই মন্তব্য কৰিছে। বৃহস্পতিবাৰে চেন্নাইৰ পেৰামবুৰৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ কয় যে, মোদী চৰকাৰে প্ৰৱৰ্তন কৰা মেক ইন ইণ্ডিয়া পদক্ষেপে দেশত উৎপাদন যথেষ্ট বৃদ্ধি কৰিছে। তামিলনাডুকে ধৰি দক্ষিণৰ ৰাজ্যসমূহে বৃদ্ধিৰ ভাৰসাম্য বজাই ৰখাৰ ক্ষেত্ৰত ভাল ফলাফল দেখুৱাইছে বুলি তেওঁ উল্লেখ কৰে। বন্দে ভাৰত ৰে'লৰ দৰে উল্লেখযোগ্য কৃতিত্বৰ কথা উনুকিয়াই তেওঁ কয় যে, ভাৰতীয় দবা নিৰ্মাণকাৰী কাৰখানা চমুকৈ ICFৰ অভিযন্তাসকলৰ বাবেই সেয়া সফল হৈছে আৰু আইচিএফে বছৰি ৫০খন ৰে'ল সাজু কৰি উলিয়াব। মন্ত্ৰীগৰাকীয়ে জনাই যে, যোৱা বছৰ কাৰখানাটোত ৩ হাজাৰ ৭০০টা ডবা নিৰ্মাণ কৰা হৈছিল আৰু এইবাৰ ৪ হাজাৰ ২০০টা ডবা নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হৈছে।

০০০০০

ওড়িশাৰ পৱিত্ৰ ৰথযাত্ৰা আজি অনুষ্ঠিত হ'ব। এই বিশ্ব বিখ্যাত ৰথ যাত্ৰা স্বচক্ষে প্ৰত্যক্ষ কৰাৰ উদ্দেশ্যে পুৰীত হাজাৰ হাজাৰ ভক্ত সমবেত হৈছে। আজি ভগৱান জগন্নাথ, দেৱী সুভদ্ৰা আৰু ভগৱান বলভদ্ৰই ৯ দিনৰ বাবে ৰথযাত্ৰাৰ জৰিয়তে জগন্নাথ মন্দিৰৰ পৰা গুন্দিছা মন্দিৰলৈ যাব। দ্বাদশ শতিকাত নন্দী ঘোষ, তালধবজ আৰু দৰ্প দলন নামৰ তিনিখন ৰথৰ জৰিয়তে মন্দিৰৰ সিংহদ্বাৰৰ পৰা প্ৰথমবাৰৰ বাবে এই তিনিগৰাকী হিন্দু দেৱতাই গুন্দিছা মন্দিৰলৈ গৈছিল বুলি বিশ্বাস কৰা হয়। পৰম্পৰা অনুসৰি ৰথযাত্ৰাৰ প্ৰাৰম্ভিক কাম-কাজ আজি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ইয়াৰ পাছত বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে বিয়লি ৪ বজাত এই ৰথ যাত্ৰা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। ৰীতি অনুসৰি ভগৱান বলভদ্ৰই তালধবজ ৰথেৰে প্ৰথমে যাত্ৰা কৰিব। ইয়াৰ পাছতে দৰ্পদলন ৰথত দেৱী সুভদ্ৰাই আৰু শেষত নন্দীঘোষ ৰথেৰে ভগৱান জগন্নাথে যাত্ৰাত ভাগ ল'ব। পুৰীৰ গ্ৰেণ্ড ট্ৰাংক ৰোডত হ'বলগীয়া এই ৰথযাত্ৰা সুকলমে সম্পন্ন কৰাৰ বাবে পুৰীৰ প্ৰশাসন আৰু আৰক্ষী বিভাগে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই কালি শ্ৰীনগৰৰ ৰাজভৱনত অহা ৩ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ লগতে বিজেপি, কংগ্ৰেছ আৰু পি ডি পিৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰে। বৈঠকত উপ ৰাজ্যপালগৰাকীয়ে এই পৱিত্ৰ যাত্ৰা নিৰাপদে আৰু সুকলমে সম্পন্ন কৰাৰ বাবে অমৰনাথ জী দেৱোত্তৰ পৰিষদ, প্ৰশাসন, জম্মু আৰু কাশ্মীৰ আৰক্ষী, সুৰক্ষা বাহিনী তথা আন সকলো অংশীদাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। উপ ৰাজ্যপালগৰাকীয়ে কয়, যে বাবা অমৰনাথৰ আশীৰ্বাদ আৰু প্ৰয়োজনীয় সা-সুবিধাসমূহ চকুত চলা ধৰণে বৃদ্ধি কৰাৰ ফলত এই বেলি যাত্ৰীসকলৰ বাবে এই ধৰ্মীয় যাত্ৰাটো স্মৰণীয় আৰু আধ্যাত্মিকভাৱে পৰিপূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

বৈঠকত উপ ৰাজ্যপালগৰাকীয়ে জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলৰ পৰামৰ্শসমূহ গ্ৰহণ কৰাৰ উপৰি অমৰনাথ যাত্ৰা অধিক সুবিধাজনক আৰু বেমেজালি মুক্ত কৰি তোলাৰ বাবে তেওঁলোকৰ সহযোগিতা কামনা কৰে।

০০০০০

নিৰ্বাচন আয়োগে অত্যাৱশ্যকীয় চৰ্ত পূৰণ নকৰাৰ বাবে ৩৪৫টা পঞ্জীয়নভুক্ত স্বীকৃতি বিহীন ৰাজনৈতিক দলৰ মৰ্যাদা কৰ্তন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ২০১৯ চনৰ পৰা লোকসভাৰ নিৰ্বাচনৰ লগতে ৰাজ্যসভাৰ নিৰ্বাচন আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বিধানসভা অথবা উপ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰা দলসমূহক তালিকাৰ পৰা বাদ দিয়াৰ বাবে এই প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০০

ভাৰত চৰকাৰে বাংলাদেশৰ ঢাকাত দুৰ্গা মন্দিৰ ভাঙি পেলোৱা কাৰ্যক তীব্ৰ গৰিহণা দিয়াৰ লগতে মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্ৱৰ্তীকালীন চৰকাৰে ঘটনাটোক অবৈধভাৱে ভূমি ব্যৱহাৰ কৰাৰ গোচৰ হিচাপে প্ৰক্ষেপ কৰি ধ্বংসৰ অনুমতি দিয়া পদক্ষেপক সমালোচনা কৰিছে ।

নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে, ঢাকাৰ খিলখেটত থকা দুৰ্গা মন্দিৰ ভাঙি পেলোৱাৰ বাবে দুষ্কৃতিকাৰীয়ে হুলস্থুল কৰি আহিছিল। কিন্তু দেশখনৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰে মন্দিৰটোক নিৰাপত্তা প্ৰদান কৰাৰ পৰিৱৰ্তে এই বিষয়টোক অবৈধ ভূমি ব্যৱহাৰৰ গোচৰ হিচাপে প্ৰক্ষেপ কৰি মন্দিৰটো ধ্বংস কৰাৰ অনুমতি দিয়ে। ফলত মন্দিৰৰ উপাস্য দেৱতাৰ মূৰ্তি স্থানান্তৰ কৰাৰ পূৰ্বেই ক্ষতিসাধন হয়। বাংলাদেশত এনে ঘটনাৰ পুনৰাবৃত্তি হৈ থকাটো এটা অতি উদ্বেগৰ বিষয় আৰু হিন্দুসকলৰ জীৱন আৰু সম্পত্তি তথা তেওঁলোকৰ ধৰ্মীয় প্ৰতিষ্ঠানসমূহ সুৰক্ষিত কৰাটো বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে এই সপ্তাহৰ আৰম্ভণিতে দিনাজপুৰ জিলাত দুষ্কৃতিকাৰীয়ে মনসা আৰু দুৰ্গা মন্দিৰ ভাঙি পেলাইছিল।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত গৰম আৰু আদ্ৰ পৰিৱেশ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি পৰৱৰ্তী তিনি-চাৰিদিন পৰ্যন্ত উত্তৰ ৰাজস্থান, পঞ্জাব, হাৰিয়ানা আৰু দিল্লীত মৌচুমী বায়ুৰ প্ৰভাৱত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে, পূৱ ৰাজস্থান, গুজৰাট, উত্তৰাখণ্ড আৰু পশ্চিম মধ্য প্ৰদেশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগে জানিবলৈ দিছে। বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি কৰ্ণাটকৰ উপকূলীয় অঞ্চল, কেৰালা, মাহে, গোৱা আৰু মধ্য মহাৰাষ্ট্ৰতো একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব। অৰুণাচল প্ৰদেশৰ কিছু অংশ বিহাৰ, ছত্তিশগড়, পূব মধ্যপ্ৰদেশ, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীৰ অংশ বিশেষত মুযলধাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০

ভাৰতৰ সৈতে শীঘ্ৰেই এটা ডাঙৰ চুক্তি স্বাক্ষৰ কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে চীনৰ সৈতে অলপতে চুক্তি কৰা হৈছে আৰু এইবাৰ ভাৰতৰ সৈতেও এটা ডাঙৰ চুক্তি কৰা হ'ব। চীনৰ সৈতে হোৱা চুক্তিৰ বিষয়ে সবিশেষ প্ৰকাশ নকৰিলেও তেওঁ প্ৰকাশ কৰে যে প্ৰতিখন ৰাষ্ট্ৰৰ সৈতে চুক্তি কৰা নহয়।

ooooo

ভাৰতে দ্বিতীয় এছিয়ান স্কোৱাচ ডাবলছ চেম্পিয়নশ্বিপছৰ পুৰুষ-মহিলা আৰু মিক্সড্‌ ডাবলচ- এই তিনিওটা শিতানত খিতাপ দখল কৰিছে। পুৰুষৰ ডাবলচৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত অভয় সিং আৰু ভেলাভান চেন্থিল কুমাৰে এখন উত্তেজনাপূৰ্ণ খেলত পাকিস্তানৰ নুৰ জামান আৰু নাছিৰ ইকবালক ২-১ ফলাফলত পৰাস্ত কৰে। মহিলাৰ ডাবলছৰ ফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত জোস্না চিনাপ্পা আৰু অনাহত সিঙে মালয়েছিয়াৰ শক্তিশালী প্ৰতিদণ্ডী আইনা আমানী আৰু জিন য়িং য়িৰ বিৰুদ্ধে ২-১ ফলাফলত বিজয় অৰ্জন কৰে। ইপিনে মিক্সড ডাবলছ শিতানৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত অভয় আৰু অনাহতৰ ভাৰতীয় যুটিটোৱে মালয়েছিয়াৰ ৰাচেল আৰ্ণল্ড আৰু অমিসেনৰাজ চন্দৰনক ২-০ ফলাফলত সহজে পৰাস্ত কৰে।

ooooo

মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতাৰ ফাইনেলত আজি ওড়িশা পঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তামিলনাডুৰ চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত দুপৰীয়া ২ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে প্ৰথমখন ছেমি ফাইনেলত ওড়িশাই তামিলনাডুক ৪-১ গলত পৰাস্ত কৰিছিল। ইপিনে পঞ্জাবে দ্বিতীয়খন ছেমি ফাইনেলত হাৰিয়ানাৰ বিৰুদ্ধে ৩-২ গলত বিজয় সাব্যস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

ইপিনে, একেখন প্ৰতিযোগিতাৰ পুৰুষৰ শিতানৰ ফাইনেলত আজি বিয়লি ৪ বজাত তামিলনাডু মহাৰাষ্ট্ৰৰ মুখামুখি হ'ব। এইখন খেলো মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত খেলোৱা হ'ব। পুৰুষৰ প্ৰথমখন ছেমি ফাইনেলত তামিলনাডুৱে চণ্ডীগড়ক ৩-০ আৰু দ্বিতীয়খন ছেমি ফাইনেলত মহাৰাষ্ট্ৰই ওড়িশাক ৪-১ গলত পৰাস্ত কৰিছিল।

ooooo

**সমাপ্ত**